2022

PHILOSOPHY

Paper : PHI–HC–6016

(Philosophy of Mind)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer any *ten* questions of the following : 1×10=10

তলৰ যি কোনো দহটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) "Psychology is the science of behaviour." Who said this?

''মনোবিজ্ঞান হ'ল আচৰণ সম্পৰ্কীয় বিজ্ঞান।'' কথাষাৰ কোনে কৈছিল ?

(b) Is Descartes a supporter of dualism?

ডেকার্ট দ্বৈতবাদৰ সমৰ্থক হয়নে ?

(c) Who is the founder of parallelism?

সমান্তৰালবাদৰ প্ৰৱৰ্তক কোন ?

(d) Mention the name of the philosopher who refuted the Cartesian dualism in his person theory.

ব্যক্তি মতবাদৰ জৰিয়তে, কার্টেছিয়ান দ্বৈতবাদক খণ্ডন কৰা দার্শনিকগৰাকীৰ নাম উল্লেখ কৰা।

(e) Who is the author of the book, *An Essay Concerning Human Understanding*?

An Essay Concerning Human Understanding গ্ৰন্থখনৰ লেখক কোন ?

(f) How many substances are there according to Spinoza?

স্পিনোজাৰ মতে দ্ৰব্য কেইপ্ৰকাৰৰ ?

(g) Who is the author of the book, *Tractatus-Logico-Philosophicus*?

Tractatus-Logico-Philosophicus গ্ৰন্থখনৰ লেখক কোন ?

(h) Is identity theory a theory of materialistic mental event?

অভিন্নতাবাদ, মানসিক ঘটনা সম্পৰ্কীয় এটি জড়বাদী মতবাদ হয়নে ?

(i) Who is the propounder of behaviourism?

আচৰণবাদৰ প্ৰৱৰ্তক কোন ?

(j) Write the name of the philosopher who refuted the problem of personal identity.

ব্যক্তি অভিন্নতাৰ সমস্যাক অস্বীকাৰ কৰা দার্শনিকগৰাকীৰ নাম লিখা।

(k) Who is the pioneer of functionalism?

ক্ৰিয়াবাদ বা কার্যবাদৰ পথপ্ৰদর্শক কোন ?

(l) Is epiphenomenalism a materialistic theory of mind-body relation?

উপবস্তুবাদ দেহ আৰু মনৰ সম্বন্ধ সম্পৰ্কীয় এটি জড়বাদী মতবাদ হয়নে ?

(m) Who is the author of the book, *The Concept of Mind*?

The Concept of Mind গ্ৰন্থখনৰ লেখক কোন ?

(n) According to which theory, the relation between mind and body is possible only by the intervention of God?

কোনটো মতবাদ অনুসৰি মন আৰু দেহৰ মাজৰ সম্বন্ধ কেৱল ঈশ্বৰৰ দ্বাৰাহে সম্ভৱপৰ হয় ?

(o) What is the literal meaning of 'psychology'?

'মনোবিজ্ঞান'ৰ আক্ষৰিক অৰ্থ কি ?

2. Answer any *five* questions of the following in brief : 2×5=10

তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ অতি চমুকৈ দিয়া :

(a) Define philosophy of mind.

মনোদৰ্শনৰ সংজ্ঞা দিয়া।

(b) What are the three kinds of substances according to Descartes?

ডেকার্টৰ মতে তিনি প্ৰকাৰৰ দ্ৰব্য কি কি ?

(c) Mention the name of any two supporters of parallelism.

সমান্তৰালবাদৰ যি কোনো দুগৰাকী সমৰ্থকৰ নাম উল্লেখ কৰা।

(d) To reform the drawbacks of Cartesian dualism, which two philosophers advocated the theory of occasionalism?

কার্টেছিয়ান দ্বৈতবাদৰ দোষ-ত্ৰুটিবোৰ সংশোধন কৰিবলৈ কোন দুজন দাৰ্শনিকে উপলক্ষ্যবাদ প্ৰবৰ্তন কৰিছিল ?

(e) What do you mean by functionalism?

ক্ৰিয়াবাদ বা কাৰ্যবাদ বুলিলে কি বুজা ?

(f) What is meant by 'Descartes' myth'?

'ডেকার্টৰ মিথ বা ৰূপকথা' বুলিলে কি বুজা ?

(g) What are the two criteria of personal identity?

ব্যক্তি অভিন্নতাৰ নিৰ্ণায়ক দুটা কি কি ?

(h) What is 'person', according to P. F. Strawson?

P. F. Strawsonৰ মতে 'ব্যক্তি' মানে কি ?

3. Answer any *four* questions of the following : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Mention the differences between Psychology and Philosophy of Mind.

মনোবিজ্ঞান আৰু মনোদৰ্শনৰ মাজৰ পাৰ্থক্যসমূহ উল্লেখ কৰা।

(b) Write a short note on 'category mistake'.

'শ্ৰেণীগত বিভ্ৰান্তি'ৰ বিষয়ে এটি চমু টোকা লিখা।

(c) Briefly explain psycho-physical parallelism of Leibniz.

লাইব্নিজৰ মনো-দৈহিক সমান্তৰালবাদৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(d) Is epiphenomenalism a satisfactory theory of mind-body relation? Explain briefly.

উপরঞ্জবাদ মন-দেহ সম্পর্কীয় এটি সন্তোষজনক মতবাদ জনে ? চমুকৈ ব্যাখ্যা কৰা।

(e) Write a short note on Hume's personal identity.

হিউমৰ ব্যক্তি অভিজ্ঞাতাৰ বিষয়ে এটি চমু টোকা লিখা।

(f) Briefly explain the functionalism of William James.

উইলিয়াম জেমছৰ ক্ৰিয়াবাদ বা কাৰ্যবাদৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(g) Distinguish between M-predicate and P-predicate.

M-predicate আৰু P-predicateৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

(h) Mention the objections against identity theory

অভিজ্ঞাতাবাদৰ বিৰুদ্ধে থকা আপত্তিসমূহ উল্লেখ কৰা।

4. Answer any *four* questions of the following : 10×4=40

তলৰ যি কোনো চাৰিটী প্ৰশ্নৰ উত্তৰ লিখা :

(a) Explain the nature and scope of philosophy of mind.

মনোদৰ্শনৰ স্বৰূপ আৰু পৰিসৰ ব্যাখ্যা কৰা।

(Continued)

(b) Critically explain Cartesian dualism.

কার্টেছিয়ান দ্বৈতবাদৰ বিষয়ে সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(c) Write an essay on behaviourism.

আচৰণবাদ সম্পৰ্কে এখন ৰচনা লিখা।

(d) Evaluate occasionalism as a theory of mind-body relation.

মন আৰু দেহৰ সম্বন্ধ সম্পৰ্কীয় মতবাদ হিচাপে উপলক্ষবাদৰ মূল্যায়ন কৰা।

(e) Explain and examine Spinoza's theory of parallelism.

স্পিনোজাৰ সমান্তৰালবাদৰ এক সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(f) What is psychology? Explain the nature and scope of psychology.

মনোবিজ্ঞান কি ? মনোবিজ্ঞানৰ প্ৰকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰা।

(g) Critically explain the 'person' theory of P. F. Strawson.

P. F. Strawsonৰ 'ব্যক্তি' মতবাদৰ এক বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা।

(Turn Over)

(h) What is personal identity? Discuss the criteria of personal identity.

ব্যক্তি অভিন্নতা কি? ব্যক্তি অভিন্নতাৰ নির্ণায়কসমূহ আলোচনা কৰা।

(i) Examine the identity theory of mind.

মন সম্পৰ্কীয় অভিন্নতাবাদী তত্ত্বটো বিচাৰ কৰা।

(j) Explain John Locke's view on personal identity.

জন লকৰ ব্যক্তি অভিন্নতা সম্পৰ্কীয় মতবাদটো ব্যাখ্যা কৰা।

★★★

2022

PHILOSOPHY

Paper : PHI-HC-6026

(Metaethics)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed (any *ten*) : 1×10=10

তলত দিয়াবোৰৰ উত্তৰ নিৰ্দেশ অনুযায়ী দিয়া (যি কোনো দহটা) :

(a) The word 'ethics' is derived from the Greek word _____.

(Fill in the blank)

'Ethics' শব্দটো গ্ৰীক শব্দ _____ৰ পৰা উৎপন্ন হৈছে।

(খালী ঠাই পূৰণ কৰা)

(b) Truth / Beauty / Good is the ideal of Ethics.

(Choose the correct answer)

সত্য / সুন্দৰ / কল্যাণ নীতিবিদ্যাৰ আদৰ্শ।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(c) The word 'virtue' is the equivalent of the ancient Greek word _____.

(Fill in the blank)

'Virtue' শব্দটো প্ৰাচীন গ্ৰীক শব্দ _____ৰ সমাৰ্থক।

(খালী ঠাই পূৰণ কৰা)

(d) The ideal of Normative Ethics is _____.

(Fill in the blank)

আদৰ্শনিষ্ঠ নীতিবিদ্যাৰ আদৰ্শ বা মানদণ্ড হৈছে _____।

(খালী ঠাই পূৰণ কৰা)

(e) From which German word is the English word 'good' derived from?

কোনটো জাৰ্মান শব্দৰ পৰা ইংৰাজী শব্দ 'good'ৰ উৎপত্তি হৈছে?

(f) Who is the author of the book, *Principia Ethica*?

Principia Ethica গ্ৰন্থখনৰ লেখক কোন?

(Continued)

(g) Moore's Ethical theory is called Naturalism / Non-naturalism.

(Choose the correct answer)

মূৰৰ নৈতিক মতবাদক প্ৰকৃতিবাদ / অপ্ৰকৃতিবাদ বুলি কোৱা হয়।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(h) According to Moore, which fallacy arises when ethical concepts are attempted to be defined?

মূৰৰ মতে, কোনটো দোষৰ উদ্ভৱ হয় যেতিয়া নৈতিক ধাৰণাসমূহ সংজ্ঞায়িত কৰাৰ চেষ্টা কৰা হয়?

(i) According to Moore, how can knowledge of the Good be known?

মূৰৰ মতে, শ্ৰেয় সম্বন্ধীয় জ্ঞান কেনেকৈ লাভ কৰিব পৰা যায়?

(j) Moore says, 'good' is a natural / non-natural property.

(Choose the correct answer)

মূৰে কৈছে, 'শ্ৰেয়' হ'ল প্ৰাকৃতিক / অপ্ৰাকৃতিক গুণ।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(k) The author of the book, *Language, Truth and Logic* is _____.

(Fill in the blank)

Language, Truth and Logic গ্ৰন্থখনৰ লেখক হৈছে _____।

(খালী ঠাই পূৰণ কৰা)

(Turn Over)

(l) Emotivism is a ____ ethical view of Metaethics.

(Fill in the blank)

আবেগবাদ অধিনীতিশাস্ত্রৰ এক ____ নৈতিক মতবাদ।

(খালী ঠাই পূৰণ কৰা)

(m) "Moral judgements / terms are primarily emotive and secondarily descriptive." Who is the speaker of this statement?

"নৈতিক অৱধাৰণ / পদসমূহ মুখ্যতঃ আবেগাত্মক আৰু গৌণভাৱে বৰ্ণনাত্মক।" এই উক্তিটোৰ প্ৰৱক্তা কোন ?

(n) Name the moral philosopher who admits the possibility of moral disagreement.

নৈতিক অসম্মতি বা মতবিৰোধক স্বীকাৰ কৰা নৈতিক দাৰ্শনিকগৰাকীৰ নাম লিখা।

(o) Name the ethical theory propounded by R. M. Hare.

R. M. Hare-এ প্ৰৱৰ্তন কৰা নৈতিক মতবাদটোৰ নাম লিখা।

2. Answer the following questions briefly (any *five*) : 2×5=10

তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) :

(a) Define 'right'.

'উচিত'ৰ সংজ্ঞা দিয়া।

(Continued)

(b) What is moral judgement?

নৈতিক অৱধাৰণ মানে কি ?

(c) What are the two questions raised by Moore on 'good'?

'শ্ৰেয়' সম্পৰ্কীয় মূৰে উল্লেখ কৰা দুটা প্ৰশ্ন কি কি ?

(d) State the name of two metaethical philosophers.

দুজন অধিনীতিবিদৰ নাম উল্লেখ কৰা।

(e) What are the two important alternatives mentioned by Moore to establish that 'good is indefinable'?

মূৰে 'শ্ৰেয় অসংজ্ঞাত্মক'ৰ ক্ষেত্ৰত কোন দুটা গুৰুত্বপূৰ্ণ বিকল্প উল্লেখ কৰিছে ?

(f) Mention two parts of moral statements according to Stevenson.

ষ্টিভেনচনৰ মতে নৈতিক উক্তিৰ অংশ দুটা উল্লেখ কৰা।

(g) What are the two types of moral disagreements?

দুই প্ৰকাৰৰ নৈতিক অসম্মতি কি কি ?

(h) What is 'universalisability' in Hare's ethical theory?

হেয়াৰৰ নৈতিক মতবাদত 'সাৰ্বজনীনকৰণ যোগ্যতা' মানে কি ?

(Turn Over)

3. Write short notes on the following (any *four*) : 5×4=20

তলত দিয়াবোবৰ চমু টোকা লিখা (যি কোনো চাৰিটা) :

(a) Virtue Ethics

সদ্ গুণৰ নৈতিক মতবাদ

(b) Highest Goods

পৰম শ্ৰেয়

(c) Non-naturalism

অ-প্ৰকৃতিবাদ

(d) Naturalistic Fallacy

প্ৰকৃতিবাদী দোষ

(e) Persuasive Definition

প্ৰৰোচনাত্মক সংজ্ঞা

(f) Stevenson's view on disagreement in belief

ষ্টিভেনচনৰ বিশ্বাস সম্পৰ্কীয় অসঙ্গতিৰ ধাৰণা

(g) Two criticisms of Stevenson's Emotive theory

ষ্টিভেনচনৰ আবেগবাদৰ দুটা সমালোচনা

(h) Weakness of Will

ইচ্ছাৰ দুৰ্বলতা

(Continued)

4. Answer any *four* questions from the following : 10×4=40

তলৰ পশ্নবোবৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What is Normative Ethics? Discuss the nature of Normative Ethics.

আদৰ্শনিষ্ঠ নীতিবিদ্যা মানে কি? আদৰ্শনিষ্ঠ নীতিবিদ্যাৰ স্বৰূপ সম্বন্ধে আলোচনা কৰা।

(b) Define the concept of Metaethics. Briefly explain its nature and relation with Normative Ethics.

অধিনীতিবিদ্যাৰ ধাৰণাটোৰ সংজ্ঞা দিয়া। চমুকৈ ইয়াৰ স্বৰূপ আৰু আদৰ্শনিষ্ঠ নীতিবিদ্যাৰ লগত সম্বন্ধ আলোচনা কৰা।

(c) Discuss the Cognivist or Descriptive theory of metaethics.

অধিনীতিবিদ্যাৰ জ্ঞানবাদী বা বৰ্ণনামূলক মতবাদটো আলোচনা কৰা।

(d) What is Moore's concept of 'Indefinability of Good'? Briefly explain this concept.

মূৰৰ 'সংজ্ঞাবিহীন শ্ৰেয়'ৰ ধাৰণাটো কি? চমুকৈ এই ধাৰণাটো ব্যাখ্যা কৰা।

(e) What is the concept of 'open question argument' in Moore's ethical theory? How does Moore use the concept of the open question argument to prove that Good is indefinable?

(Turn Over)

মূৰৰ নৈতিক মতবাদত 'মুক্ত প্ৰশ্ন যুক্তি'ৰ ধাৰণাটো কি? মূৰে কি ধৰণে 'মুক্ত প্ৰশ্ন যুক্তি'ৰ ধাৰণাটোৰ সহায়ত 'শ্ৰেয়'ক অসংজ্ঞাত্মক বুলি প্ৰমাণ কৰিছে?

(f) Critically elaborate Ayer's metaethical theory.

আয়াৰৰ অধিনীতিবিদ্যাৰ মতবাদটো সম্পৰ্কে সমালোচনাত্মক আলোচনা আগবঢ়োৱা।

(g) Explain and examine the emotive theory of Stevenson.

ষ্টিভেনচনৰ আবেগবাদৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(h) Analyze Stevenson's views on the characteristics of Moral Discourse.

নৈতিক বিবৃতিৰ বৈশিষ্ট্য সম্পৰ্কে ষ্টিভেনচনৰ মতটো বিশ্লেষণ কৰা।

(i) Discuss Hare's prescriptivism as an Ethical theory.

নৈতিক মতবাদ হিচাবে হেয়াৰৰ পৰামৰ্শবাদ আলোচনা কৰা।

(j) Explain Hare's view on the nature of Moral Judgement.

হেয়াৰৰ নৈতিক যুক্তিৰ স্বৰূপ সম্বন্ধীয় মতটো ব্যাখ্যা কৰা।

★★★

2022

PHILOSOPHY

Paper : PHI-HE-6026

(Philosophy of Language)

(Honours Elective)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed (any *ten*) : 1×10=10

নির্দেশানুযায়ী তলত দিয়াবোবৰ উত্তৰ লিখা (যি কোনো দহটা) :

(a) Name the book authored by Early Wittgenstein.

পূৰ্বৱৰ্তী উইটগেনষ্টাইনে লিখা গ্ৰন্থখনৰ নাম লিখা।

(b) Give an example of a sentence which has only sense but not any reference.

এনে এটা উক্তিৰ উদাহৰণ দিয়া যি উক্তিৰ অৰ্থ (sense) আছে কিন্তু প্ৰসঙ্গ বা নিৰ্দেশনা (reference) নাই।

(c) In collaboration with whom Alfred North Whitehead wrote the book, *Principia Mathematica*?

কাৰ সহযোগত আলফ্ৰেড নৰ্থ হোৱাইটহেডে *Principia Mathematica* গ্ৰন্থখন প্ৰণয়ন কৰিছিল ?

(d) What is the German name of the article, 'On Sense and Reference' written by Friedrich Ludwig Gottlob Frege?

ফ্ৰিড্ৰিখ লুডউইগ গটলব ফ্ৰেগেই ৰচনা কৰা প্ৰবন্ধ 'On Sense and Reference'ৰ জাৰ্মান নামটো কি ?

(e) Who is the founder of 'Ideational theory of Meaning'?

'অৰ্থৰ ধাৰণা তত্ত্ব'ৰ প্ৰতিষ্ঠাপক কোন ?

(f) What, according to John Locke, is the state of empty mind or the mind born without built-in mental content?

মনৰ উকা অৱস্থা বা জন্মৰ সময়ত মানসিক বিষয় অবিহনে মনটোৰ নিৰ্মিত অৱস্থাক ল'কৰ ভাষাত কি বুলি কোৱা হৈছে ?

(g) According to which theory, 'the meaning of a word is what it refers'?

কোনটো তত্ত্বৰ মতে, 'শব্দই যাক নিৰ্দেশ কৰে সিয়ে তাৰ অৰ্থ' ?

(Continued)

(h) According to whom, 'the meaning of a proposition is the method of its verification'?

কাৰ মতে, 'বচনৰ অৰ্থই হৈছে ইয়াৰ প্ৰামাণিকতাৰ প্ৰক্ৰিয়া' ?

(i) Use theory of meaning was developed by Early Wittgenstein/Later Wittgenstein.

(Choose the correct option)

অৰ্থৰ প্ৰয়োগ তত্ত্ব পূৰ্ববৰ্তী উইটগেনষ্টাইন/পৰবৰ্তী উইটগেনষ্টাইনে আগবঢ়াইছিল।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(j) Which theory of Truth is supported by John Locke's Scientific Realism?

জন ল'কৰ বৈজ্ঞানিক বাস্তৱবাদে সত্যৰ কোনটো মতবাদ সমৰ্থন কৰিছে ?

(k) Hegel supports Pragmatic/Correspondence/Coherence theory of Truth.

(Choose the correct option)

হেগেলে সত্যৰ উপযোগিতাবাদ/অনুৰূপতাবাদ/সংগতিবাদ সমৰ্থন কৰে।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(l) To whom is said to be the father of Pragmatic theory of Truth?

সত্যৰ উপযোগিতাবাদ মতবাদৰ পিতৃ বুলি কাক কোৱা হয় ?

(Turn Over)

(m) Who was the author of the articles, 'Performative Utterance' and 'Performative Constative'?

'Performative Utterance' আৰু 'Performative Constative'—এই প্ৰবন্ধ দুটাৰ ৰচক কোন ?

(n) Give an example of a statement or a sentence which executes a perlocutionary act.

এনে এটা উক্তি বা বিবৃতিৰ উদাহৰণ দিয়া যিয়ে প্ৰভাৱিত ক্ৰিয়া সম্পাদন কৰে।

(o) Vienna Circle is related to logical atomism/ logical positivism/naturalism.

(Choose the correct option)

ভিয়েনা চক্ৰ তৰ্কীয় পৰমাণুবাদ/তৰ্কীয় প্ৰত্যক্ষবাদ/ প্ৰকৃতিবাদৰ সৈতে জড়িত।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

2. Answer any *five* of the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ উত্তৰ লিখা :

(a) What is philosophy of language?

ভাষা দৰ্শন কি ?

(b) Refer the differences between 'A so-and-so' and 'The so-and-so'.

'A so-and-so' আৰু 'The so-and-so'ৰ মাজত থকা পাৰ্থক্য উল্লেখ কৰা।

(Continued)

(c) What is use theory of meaning?

অৰ্থৰ প্ৰয়োগ তত্ত্ব কাক বোলে ?

(d) Write two theories of meaning.

অৰ্থৰ দুটা তত্ত্বৰ নাম লিখা।

(e) What are the theories of Truth?

সত্যৰ মতবাদসমূহ কি কি ?

(f) Write the name of two philosophers who support Correspondence theory of Truth.

সত্যৰ অনুৰূপতাবাদ সমৰ্থন কৰা দুজন দাৰ্শনিকৰ নাম লিখা।

(g) Name two philosophers who advocate ordinary language.

সাধাৰণ ভাষাক সমৰ্থন কৰা দুজন দাৰ্শনিকৰ নাম লিখা।

(h) What are the two speech acts?

দুই প্ৰকাৰৰ কথন কাৰ্য (speech acts) কি কি ?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Write a note on knowledge by acquaintance and knowledge by description.

পৰিচিতিমূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ বিষয়ে এটা টোকা লিখা।

(Turn Over)

(b) Distinguish between ordinary language and logical language.
সাধাৰণ ভাষা আৰু তৰ্কীয় ভাষাৰ মাজৰ পাৰ্থক্য লিখা।

(c) What do you mean by meaning? Explain.
অৰ্থ বুলিলে কি বুজা ? ব্যাখ্যা কৰা।

(d) How does Wittgenstein explain 'meaning' and 'use' with the help of language game? Explain briefly.
ভাষা খেলৰ সহায়ত উইটগেনষ্টাইনে কেনেকৈ 'অৰ্থ' আৰু 'প্ৰয়োগ'ৰ ব্যাখ্যা কৰিছে ? চমুকৈ ব্যাখ্যা কৰা।

(e) Write a short note on Correspondence theory of Truth.
সত্যৰ অনুৰূপতাবাদৰ বিষয়ে এটা চমু টোকা লিখা।

(f) Briefly explain the nature of truth.
সত্যৰ স্বৰূপ সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা।

(g) What are the conditions between performative and constative utterance? Explain.
সম্পাদনমূলক উক্তি আৰু বৰ্ণনামূলক উক্তিৰ মাজত থকা চৰ্তসমূহ কি কি ? ব্যাখ্যা কৰা।

(h) Explain the relation between locutionary act and illocutionary act.
বাৰ্তাবাহক ক্ৰিয়া (locutionary act) আৰু প্ৰভাৱান্বিত ক্ৰিয়া (illocutionary act)ৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰা।

(Continued)

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain Gottlob Frege's concept of 'sense' and 'reference'.
গট্‌লৰ ফ্ৰেগেৰ 'অৰ্থ' আৰু 'প্ৰসঙ্গ'ৰ ধাৰণা ব্যাখ্যা কৰা।

(b) Critically examine Russell's theory of Definite Descriptions.
ৰাছেলৰ নিৰ্দিষ্ট বৰ্ণনাত্মক তত্ত্বৰ বিচাৰাত্মক আলোচনা আগবঢ়োৱা।

(c) Discuss Referential theory of meaning.
অৰ্থৰ প্ৰসঙ্গমূলক তত্ত্বৰ আলোচনা কৰা।

(d) Explain critically the Ideational theory of meaning.
অৰ্থৰ ধাৰণাগত তত্ত্বৰ বিচাৰাত্মক ব্যাখ্যা আগবঢ়োৱা।

(e) How do the critics criticize the use theory of meaning? Explain.
সমালোচকসকলে অৰ্থৰ প্ৰয়োগ তত্ত্বক কেনেকৈ সমালোচনা কৰিছে ? ব্যাখ্যা কৰা।

(f) Write a critical note on Coherence theory of truth.
সংগতিবাদৰ এটা সমালোচনামূলক টোকা আগবঢ়োৱা।

(Turn Over)

(g) Explain the differences between correspondence theory and coherence theory of truth.

সত্যৰ অনুৰূপতাবাদ তত্ত্ব আৰু সংগতিবাদ তত্ত্বৰ মাজৰ পাৰ্থক্যসমূহ ব্যাখ্যা কৰা।

(h) Explain Pragmatic theory of truth. Is the theory satisfactory? Illustrate.

সত্যৰ উপযোগিতাবাদ তত্ত্বটো ব্যাখ্যা কৰা। এইটো এটা সন্তোষজনক তত্ত্ব হয়নে? বহলাই লিখা।

(i) Explain critically the communicative act occurred three of speech theory.

কথন তত্ত্বৰ তিনিটা প্ৰণালীয়ে যোগাযোগৰ মূল কাৰ্য কেনেকৈ সম্পন্ন কৰে সমালোচনাসহ ব্যাখ্যা কৰা।

(j) Explain the differences between constative utterances and performative utterances.

বৰ্ণনামূলক উক্তি আৰু সম্পাদনমূলক উক্তিৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰা।

★★★

2022

PHILOSOPHY

Paper : PHI–HE–6036

(Applied Ethics)

(Honours Elective)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer any *ten* of the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো দহটাৰ উত্তৰ দিয়া :

(a) Who is the author of the book, *Practical Ethics*?

Practical Ethics গ্ৰন্থখনৰ লেখক কোন ?

(b) State one point of difference between normative ethics and practical ethics.

আদৰ্শনিষ্ঠ নীতিবিজ্ঞান আৰু প্ৰায়োগিক বা ব্যৱহাৰিক নীতিবিজ্ঞানৰ মাজত এটা পাৰ্থক্য উল্লেখ কৰা।

(Turn Over)

(c) Who is the author of the book, *Respect for Nature*?

Respect for Nature গ্রন্থখনৰ লেখক কোন ?

(d) Who for the first time used the term 'Ecology'?

'Ecology' শব্দটো সৰ্বপ্ৰথম কোনে ব্যৱহাৰ কৰিছিল ?

(e) State one feature of species diversity.

প্ৰজাতিগত বৈচিত্ৰ্যৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(f) Write the name of any one philosopher who supports animal rights.

জীৱজন্তুৰ অধিকাৰ সমৰ্থন কৰা যি কোনো এগৰাকী দাৰ্শনিকৰ নাম লিখা।

(g) What is the literal meaning of 'computer'?

'কম্পিউটাৰ' শব্দটোৰ আক্ষৰিক অৰ্থ কি ?

(h) Mention any one commandment of computer ethics.

কম্পিউটাৰ নীতিবিদ্যাৰ যি কোনো এটা নিৰ্দেশনা উল্লেখ কৰা।

(i) What is legal ethics?

আইনগত নীতিবিদ্যা কি ?

(j) What is therapeutic privilege?

চিকিৎসা-সম্বন্ধীয় বিশেষ অধিকাৰ কি ?

(Continued)

(k) Which Veda is considered as 'Pancham-Veda' in India?

ভাৰতবৰ্ষত 'পঞ্চম বেদ' হিচাপে কোনখন বেদক গণ্য কৰা হয় ?

(l) Mention one feature of the Biodiversity Act, 2002.

জৈৱবৈচিত্ৰ্য আইন, ২০০২ৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(m) Who is the propounder of Land Ethics?

ভূমি নীতিবিদ্যাৰ প্ৰৱৰ্তক কোন ?

(n) Who is the author of the book, *Animal Liberation*?

Animal Liberation গ্রন্থখনৰ লেখক কোন ?

(o) State one argument against abortion.

গৰ্ভপাতৰ বিপক্ষে এটা যুক্তি উল্লেখ কৰা।

2. Answer any *five* of the following questions briefly : 2×5=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ চমু উত্তৰ দিয়া :

(a) Mention any two human values.

যি কোনো দুটা মানৱীয় প্ৰমূল্য উল্লেখ কৰা।

(b) What are the two main theories of natural environment?

প্ৰাকৃতিক পৰিৱেশ-সম্পৰ্কীয় প্ৰধান মতবাদ দুটা কি কি ?

(Turn Over)

(c) Write the name of two philosophers who do not support animal rights.
জীবজন্তুৰ অধিকাৰ সমৰ্থন নকৰা দুগৰাকী দাৰ্শনিকৰ নাম লিখা।

(d) Mention any two types of computer or cyber crime.
কম্পিউটাৰ বা চাইবাৰ অপৰাধৰ দুটা প্ৰকাৰ উল্লেখ কৰা।

(e) State two arguments in favour of euthanasia.
ইচ্ছামৃত্যুৰ সপক্ষে দুটা যুক্তি উল্লেখ কৰা।

(f) Mention two anthropogenic causes that threat biodiversity.
জৈৱবৈচিত্ৰ্যৰ প্ৰতি ভাবুকি অনা দুটা মানৱসৃষ্ট কাৰণ উল্লেখ কৰা।

(g) Define biodiversity.
জৈৱবৈচিত্ৰ্যৰ সংজ্ঞা দিয়া।

(h) State any two rights of patient.
ৰোগীৰ যি কোনো দুটা অধিকাৰ উল্লেখ কৰা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Is practical ethics subjective? Give reason for your answer.
প্ৰায়োগিক নীতিবিজ্ঞান ব্যক্তিকেন্দ্ৰিকনে ? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি আগবঢ়োৱা।

(Continued)

(b) Write a short note on professional ethics.
বৃত্তিমূলক নীতিবিদ্যাৰ ওপৰত এটি চমু টোকা লিখা।

(c) What are the causes of biodiversity loss? Explain briefly.
জৈৱবৈচিত্ৰ্য ধ্বংসৰ কাৰণসমূহ কি কি ? চমুকৈ ব্যাখ্যা কৰা।

(d) Can we use animal for experiment? Give reasons from ethical standpoint.
আমি জীবজন্তুক গৱেষণাৰ বাবে ব্যৱহাৰ কৰিব পাৰোনে ? নৈতিক দৃষ্টিকোণৰ পৰা যুক্তি আগবঢ়োৱা।

(e) Explain the function of computer.
কম্পিউটাৰৰ কাৰ্যাৱলী ব্যাখ্যা কৰা।

(f) What is confidentiality in medical treatment? Explain briefly.
চিকিৎসাৰ ক্ষেত্ৰত গোপনীয়তা কি ? চমুকৈ ব্যাখ্যা কৰা।

(g) Briefly explain the disadvantages of virtual world.
অপার্থিব জগতৰ অসুবিধাসমূহ চমুকৈ ব্যাখ্যা কৰা।

(h) Is abortion justified? Give reasoned answer.
গৰ্ভপাত ন্যায়সংগতনে ? যুক্তিসংগত উত্তৰ দিয়া।

(Turn Over)

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What is applied ethics? Explain the nature and scope of applied ethics.

প্ৰায়োগিক বা ব্যৱহাৰিক নীতিবিজ্ঞান কি? প্ৰায়োগিক নীতিবজ্ঞানৰ স্বৰূপ আৰু পৰিসৰ ব্যাখ্যা কৰা।

(b) Discuss the nature of practical ethics as described by Peter Singer.

পিটাৰ ছিংগাৱে ব্যাখ্যা কৰা ধৰণে প্ৰায়োগিক নীতিবিদ্যাৰ স্বৰূপ আলোচনা কৰা।

(c) What do you mean by animal rights? What are the laws against animal cruelty in India? Discuss.

জীৱজন্তুৰ অধিকাৰ বুলিলে কি বুজা? ভাৰতত জীৱজন্তুৰ হিংসা বিৰোধী কি কি আইন আছে? আলোচনা কৰা।

(d) Is animal killing justified? Explain after Peter Singer.

প্ৰাণীহত্যা যুক্তিসংগতনে? পিটাৰ ছিংগাৰৰ দৃষ্টিকোণেৰে ব্যাখ্যা কৰা।

(e) What do you mean by computer crime? Explain various types of computer crime.

কম্পিউটাৰ অপৰাধ বুলিলে কি বুজা? কম্পিউটাৰ অপৰাধৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

(Continued)

(f) What is hacking? Explain how do you eradicate computer crime.

হেকিং মানে কি? কম্পিউটাৰ অপৰাধ আমি কিদৰে বোধ কৰিব পাৰোঁ, ব্যাখ্যা কৰা।

(g) Discuss the rights and obligation of doctors. Explain the relation between doctors and patient with reference to medical ethics.

চিকিৎসকৰ অধিকাৰ আৰু দায়বদ্ধতা সম্পৰ্কে আলোচনা কৰা। চিকিৎসা নীতিবিদ্যাৰ প্ৰসংগত চিকিৎসক আৰু ৰোগীৰ সম্পৰ্ক ব্যাখ্যা কৰা।

(h) What is euthanasia? Explain its various types. Give two arguments against euthanasia.

'ইচ্ছামৃত্যু কি? 'ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰা। 'ইচ্ছামৃত্যুৰ বিৰুদ্ধে দুটা যুক্তি আগবঢ়োৱা।

(i) What is medical ethics? Explain briefly the ethical principles of medical science.

চিকিৎসা নীতিবিদ্যা কি? চিকিৎসা বিজ্ঞানৰ নৈতিক নীতিসমূহ চমুকৈ ব্যাখ্যা কৰা।

(j) Write an essay on the use and exploitation of natural resources.

প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ আৰু শোষণৰ ওপৰত এখনি ৰচনা লিখা।

★★★

2022

PHILOSOPHY

Paper : PHI–RE–6016/6026

(Regular Elective)

Paper : PHI–RE–6016

(Philosophy of Religion)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following as directed (any *ten*) : 1×10=10

তলত দিয়াবোৰৰ নির্দেশানুসৰি উত্তৰ দিয়া (যি কোনো দহটা) :

(a) "The literal meaning of religion is that which binds man together." Is it true?

''ব্যুৎপত্তিগতভাৱে ধর্মৰ অর্থ হৈছে যিয়ে মানুহক একেলগে বান্ধি বা ধৰি ৰাখে।'' এইটো সত্যনে ?

(b) "Religion is morality touched with emotion." Who said this?

"ধর্ম হ'ল নৈতিকতাৰ লগত যুক্ত এক আৱেগ।" কোনে কৈছিল ?

(c) Are faith and belief same?

আস্থা আৰু বিশ্বাস একেনে ?

(d) Was Spinoza a pantheist?

স্পিনোজা সর্বেশ্ববাদী আছিলনেকি ?

(e) Who is the father of Deism?

অতিবর্তী ঈশ্বৰবাদৰ জনক কোন ?

(f) Who wrote, *Confessions*?

Confessions গ্ৰন্থখন কোনে লিখিছিল ?

(g) "The existence of God derives from the concept of God." Which proof for the existence of God advocates this view?

"ঈশ্বৰ অস্তিত্ব ঈশ্বৰৰ ধাৰণাৰ পৰাই নিৰ্গত হয়।" ঈশ্বৰ অস্তিত্বৰ কোনটো প্ৰমাণে এই মতবাদৰ পোষকতা কৰে ?

(h) Who claimed that there is an ego that exists, knows and wills?

কোনে কৈছিল যে এক অহং (ego) আছে যি অস্তিত্বশীল, জ্ঞাতা আৰু ইচ্ছাকৰ্তা ?

(i) Who is the author of the book, *A Study of Religion*?

A Study of Religion গ্ৰন্থৰ লিখক কোন ?

(Continued)

(j) "The religious attitude is frankly personal or valuational; but the scientific attitude is impersonal." Is it true?

"ধর্মীয় মনোবৃত্তি স্পষ্টভাৱে ব্যক্তিগত বা মূল্যাংকনাত্মক, কিন্তু বৈজ্ঞানিক মনোবৃত্তি নৈৰ্ব্যক্তিক।" কথাষাৰ সঁচানে ?

(k) Which argument for the existence of God is also known as Design argument?

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক কোনটো যুক্তিক পৰিকল্পনামূলক যুক্তি বুলিও জনা যায় ?

(l) "Descartes was a supporter of ontological proof for the existence of God." Is it true?

"ডেকার্ট ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ সত্তামূলক যুক্তিৰ সমর্থক আছিল।" কথাষাৰ সঁচানে ?

(m) Descartes / Spinoza / Aquinas was a medieval catholic theologician.

(Choose the correct option)

ডেকার্ট / স্পিনোজা / একুইনাছ এজন মধ্যযুগীয় কেথলিক ধর্মতত্ত্ববিদ আছিল।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(Turn Over)

(n) Kant supported / criticized the moral argument for the existence of God.

(Choose the correct option)

কান্টে ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ নৈতিক যুক্তিক সমৰ্থন / সমালোচনা কৰিছিল।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(o) What is theology a study of?

ঈশ্বৰ তত্ত্বই কি অধ্যয়ন কৰে ?

2. Give brief answer (any *five*) : 2×5=10

চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) :

(a) Give a definition of religion.

ধৰ্মৰ এটা সংজ্ঞা দিয়া।

(b) Write two distinctions between religion and science.

ধৰ্ম আৰু বিজ্ঞানৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(c) Match Group A with Group B :

গ্ৰুপ A আৰু গ্ৰুপ B ক মিলাই লিখা :

Group—A	*Group—B*
(i) *Proslogion*	1. Paul Tillich
(ii) Primitive culture	2. Aquinas
(iii) Systematic theology	3. St. Anselm
(iv) *Summa Theologica*	4. E. B. Tylor

(d) Write the name of two critics of the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় উদ্দেশ্যমূলক যুক্তিৰ দুজন সমালোচকৰ নাম লিখা।

(e) Define panentheism.

সৰ্বধৰেশ্বৰবাদৰ সংজ্ঞা লিখা।

(f) Give examples of two monotheistic religions.

একেশ্বৰবাদী দুটা ধৰ্মৰ উদাহৰণ দিয়া।

(g) Name two proofs for the existence of God formulated by Plato.

প্লেটোই প্ৰণয়ন কৰা ঈশ্বৰৰ অস্তিত্বৰ দুটা প্ৰমাণৰ নাম উল্লেখ কৰা।

(h) Match Group A with Group B :

গ্ৰুপ A আৰু গ্ৰুপ Bক মিলাই লিখা :

Group—A	*Group—B*
(i) Theism (ঈশ্বৰবাদ)	1. Hegel
(ii) Pantheism (সৰ্বেশ্বৰবাদ)	2. Martineau
(iii) Deism (অতিবর্তী ঈশ্বৰবাদ)	3. Spinoza
(iv) Panentheism (সৰ্বধৰেশ্বৰবাদ)	4. Edward Herbert

3. Answer any *four* questions of the following : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Define philosophy of religion mentioning the relationship between philosophy and religion.
দৰ্শন আৰু ধৰ্মৰ সম্পৰ্ক উল্লেখ কৰি ধৰ্মদৰ্শনৰ সংজ্ঞা আগবঢ়োৱা।

(b) Distinguish between faith and reason.
আস্থা আৰু যুক্তিৰ পাৰ্থক্য নিৰূপণ কৰা।

(c) Is religious experience an illusion? Discuss briefly.
ধৰ্মীয় অভিজ্ঞতা একধৰণৰ ভ্ৰমনেকি? চমুকৈ আলোচনা কৰা।

(d) What is 'religion'? Are 'religion' and 'dharma' same?
'Religion' মানে কি? 'Religion' আৰু 'dharma' একেনে?

(e) Explain William Paley's analogy of the watch.
উইলিয়াম পেলেৰ ঘড়ীৰ উপমাটো ব্যাখ্যা কৰা।

(f) Write a brief note on the concept of the first cause of the cosmological argument.
বিশ্বতত্ত্ব-বিষয়ক যুক্তিৰ প্ৰথম কাৰণ ধাৰণাটোৰ বিষয়ে সংক্ষেপে টোকা লিখা।

(Continued)

(g) What is monotheism? How does it contrast with polytheism?
একেশ্বৰবাদ কি? ই কিদৰে বহু ঈশ্বৰবাদ ধাৰণাৰ বিৰোধিতা কৰে?

(h) What is immortality of the soul? Explain.
আত্মাৰ অমৰত্ব কি? ব্যাখ্যা কৰা।

4. Answer any *four* questions of the following : 10×4=40

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) What is philosophy of religion? Explain the nature and scope of philosophy of religion.
ধৰ্মদৰ্শন কি? ধৰ্মদৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰা।

(b) Write the basic features of religious experience.
ধৰ্মীয় অভিজ্ঞতাৰ মৌলিক বৈশিষ্ট্যসমূহ লিখা।

(c) What is revelation? Distinguish between propositional and non-propositional types of revelation.
দৈৱিকতা কি? বচনাত্মক আৰু অবচনাত্মক প্ৰকাৰৰ দৈৱিকতাৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(d) Discuss the relation between God and the world with reference to pantheism.
সৰ্বেশ্বৰবাদৰ প্ৰসংগ উল্লেখ কৰি ঈশ্বৰ আৰু জগতৰ সম্বন্ধ আলোচনা কৰা।

(Turn Over)

(e) Write an essay on freedom of will.

ইচ্ছাৰ স্বাধীনতা-বিষয়ক এখন ৰচনা লিখা।

(f) Explain and examine the moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক নৈতিক যুক্তিটো ব্যাখ্যা আৰু বিচাৰ কৰা।

(g) Critically discuss St. Anselm's ontological argument for the existence of God.

St. Anselmৰ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় সত্তামূলক যুক্তিৰ সমালোচনাত্মক আলোচনা কৰা।

(h) Explain the nature of the elements of religious consciousness.

ধৰ্মীয় চেতনাৰ উপাদানসমূহৰ স্বৰূপ ব্যাখ্যা কৰা।

(i) Explain the cosmological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ সম্পৰ্কীয় বিশ্বতত্ত্ব-বিষয়ক যুক্তিটো ব্যাখ্যা কৰা।

(j) Distinguish between faith and revelation. Do you believe in revelation?

আস্থা আৰু দৈৱিকতাৰ পাৰ্থক্য নিৰ্ণয় কৰা। তুমি দৈৱিকতাত বিশ্বাস কৰানে?

Paper : PHI-RE-6026

(Political and Social Philosophy)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions (any *ten*) : 1×10=10

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো দহটা) :

(a) What is the etymological meaning of the word 'justice'?

'Justice' শব্দটোৰ ব্যুৎপত্তিগত বা আক্ষৰিক অৰ্থ কি?

(b) On which date 'Human Rights Day' is observed?

'মানৱ অধিকাৰ দিৱস' কোন তাৰিখে পালন কৰা হয়?

(c) "Equality means first of all the absence of special privileges." Who said this?

"সমতা মানে হ'ল বিশেষ সুযোগ-সুবিধাৰ অনুপস্থিতি।" কথাষাৰ কোনে কৈছিল?

(d) Who wrote the book, *Republic*?

Republic নামৰ গ্ৰন্থখন কোনে ৰচনা কৰিছিল ?

(e) "Theocracy is the oldest form of government." Is it true?

''ধৰ্মতন্ত্ৰ হ'ল চৰকাৰৰ প্ৰাচীন ৰূপ।'' এইটো সত্যনে ?

(f) According to Plato, "Justice is a virtue". Is it true?

প্লেটোৰ মতে ''ন্যায় হ'ল এটা সৎগুণ''। এইটো সত্যনে ?

(g) Marxian dialectical materialism is influenced by an idealistic philosopher. Write the name of this philosopher.

মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ এগৰাকী ভাৱবাদী দাৰ্শনিকৰ দ্বাৰা প্ৰভাৱিত। সেই দাৰ্শনিকগৰাকীৰ নাম লিখা।

(h) Is Gandhi an anarchist?

গান্ধী এজন নৈৰাজ্যবাদী হয়নে ?

(i) How many classes are there in Marxian philosophy?

মাৰ্ক্সীয় দৰ্শনত শ্ৰেণী কেইটা ?

(j) The State is an 'unnecessary evil'. Which theory is associated with this view?

ৰাষ্ট্ৰ হ'ল 'অনাৱশ্যক অমংগল'। এই মতটোৰ লগত জড়িত তত্ত্বটোৰ নাম কি ?

(Continued)

(k) Who is the propounder of 'radical humanism'?

'মৌলিক মানৱতাবাদ'ৰ প্ৰৱৰ্তক কোন ?

(l) Who used the word 'secularism' for the first time?

'Secularism' শব্দটো কোনে পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল ?

(m) There is an organic relation between rights and duties. Is it true?

অধিকাৰ আৰু কৰ্তব্যৰ মাজত আঙ্গিক সম্বন্ধ আছে। এইটো সত্যনে ?

(n) Mention one merit of socialism.

সমাজবাদৰ এটা গুণ উল্লেখ কৰা।

(o) What is the meaning of the word 'demos'?

'Demos' শব্দৰ অৰ্থ কি ?

2. Answer briefly (any *five*) : 2×5=10

চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) :

(a) What are the two types of justice, according to Aristotle?

এৰিষ্টটলৰ মতে ন্যায়পৰায়ণতাৰ ভাগ দুটা কি কি ?

(b) State any two characteristics of Marxism.

মাৰ্ক্সবাদৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(Turn Over)

(c) What are the two aspects of equality according to Laski?

লাস্কিৰ মতে সমতাৰ দিশ দুটা কি কি ?

(d) State Abraham Lincoln's definition of democracy.

আব্ৰাহাম লিংকনৰ 'গণতন্ত্ৰ'ৰ সংজ্ঞাটো উল্লেখ কৰা।

(e) What is 'monarchy'?

'ৰাজতন্ত্ৰ' কাক বোলে ?

(f) What is multiculturalism?

বহুসংস্কৃতিবাদ কাক বোলে ?

(g) Write the name of the supporters of natural liberty.

প্ৰাকৃতিক স্বাধীনতাৰ সমৰ্থকসকলৰ নাম লিখা।

(h) State any two economic rights.

যি কোনো দুটা অৰ্থনৈতিক অধিকাৰ উল্লেখ কৰা।

3. Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Write a short note on Plato's concept of justice.

প্লেটোৰ ন্যায়ৰ ধাৰণাৰ বিষয়ে এটি চমু টোকা লিখা।

(b) Distinguish between anarchism and terrorism.

নৈৰাজ্যবাদ আৰু সন্ত্ৰাসবাদৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(c) Explain the relation between rights and duties.

অধিকাৰ আৰু কৰ্তব্যৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰা।

(d) Write a short note on theocracy.

ধৰ্মতন্ত্ৰৰ বিষয়ে এটি চমু টোকা লিখা।

(e) Distinguish between direct and indirect democracy.

প্ৰত্যক্ষ আৰু পৰোক্ষ গণতন্ত্ৰৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(f) Write a short note on the nature of secular State.

ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ স্বৰূপ সম্পৰ্কে এটি চমু টোকা লিখা।

(g) State briefly the general characteristics of humanism.

মানৱতাবাদৰ সাধাৰণ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰা।

(h) Explain briefly different types of duties.

কৰ্তব্যৰ বিভিন্ন প্ৰকাৰসমূহ চমুকৈ ব্যাখ্যা কৰা।

4. Answer the following questions (any *four*) : 10×4

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) What do you mean by right? Explain different types of right.

অধিকাৰ বুলিলে কি বুজা ? অধিকাৰৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

(b) Discuss the characteristics of democracy.

গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(c) What is humanism? Explain various forms of humanism.

মানৱতাবাদ কাক বোলে ? মানৱতাবাদৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

(d) Explain and examine Marxian theory of class-struggle.

মাৰ্ক্সীয় শ্ৰেণী-সংগ্ৰাম তত্ত্বটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(e) What is anarchism? Explain the characteristics of anarchism.

নৈৰাজ্যবাদ বা অৰাজকতাবাদ কাক বোলে ? নৈৰাজ্যবাদ বা অৰাজকতাবাদৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(f) Explain and examine socialism as a political ideology.

ৰাজনৈতিক আদৰ্শ হিচাপে সমাজবাদৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(Continued)

(g) What are various types of equality? Explain.

সমতাৰ বিভিন্ন প্ৰকাৰসমূহ কি কি ? ব্যাখ্যা কৰা।

(h) Explain the safeguards of liberty.

স্বাধীনতা ৰক্ষা কৰাৰ উপায়সমূহ ব্যাখ্যা কৰা।

(i) Explain and examine monarchy as a form of government.

চৰকাৰৰ এটা প্ৰকাৰ হিচাপে ৰাজতন্ত্ৰৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(j) What is justice? Explain different conceptions regarding justice.

ন্যায় বুলিলে কি বুজা ? ন্যায় সম্পৰ্কে বিভিন্ন ধাৰণাসমূহ ব্যাখ্যা কৰা।

* * *

2022

PHILOSOPHY

(General)

Paper : 6.1

(Ethics—I)

(Non-CBCS)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) From which word the term 'ethics' derived?

'Ethics' শব্দটো কোন শব্দৰ পৰা উদ্ভৱ হৈছে ?

(b) Ethics is a normative science/positive science.

(Choose the correct answer)

নীতিবিজ্ঞান আদৰ্শনিষ্ঠ বিজ্ঞান/বস্তুনিষ্ঠ বিজ্ঞান।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

2022

PHILOSOPHY

(General)

Paper : 6.1

(Ethics—1)

(Non-CBCS)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed : 1×10=10

   নিম্নলিখিত নির্দেশানুযায়ী উত্তর দাও :

   (a) From which word the term 'ethics' derived?

   'Ethics' শব্দটি কোন শব্দ থেকে উদ্ভব হয়েছে ?

   (b) Ethics is a normative science/positive science.

   (Choose the correct answer)

   নীতিবিজ্ঞান আদর্শমূলক বিজ্ঞান/প্রত্যক্ষমূলক বিজ্ঞান।

   (তোমার উত্তরটি বেছে নাও)

(c) What is the ideal of ethics?

নীতিবিজ্ঞানৰ আদৰ্শ কি ?

(d) Give an example of judgement of value.

এটা মূল্যাত্মক অৱধাৰণৰ উদাহৰণ দিয়া।

(e) "Moral law is a Categorical Imperative." Who said this?

"নৈতিক নিয়ম এক চৰ্তহীন আদেশ।" কথাষাৰ কোনে কৈছিল ?

(f) Voluntary actions and habitual actions are object of moral judgement. Is it true?

ঐচ্ছিক ক্ৰিয়া আৰু অভ্যাসজনিত ক্ৰিয়া নৈতিক বিচাৰৰ বিষয়বস্তু। কথাষাৰ সঁচানে ?

(g) Hedonism is a teleological/deontological ethical theory.

(Choose the correct answer)

সুখবাদ হ'ল এক প্ৰকাৰৰ উদ্দেশ্যমূলক/কৰ্তব্যমূলক নৈতিক মতবাদ।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(h) Who is the author of the book, *Utilitarianism*?

Utilitarianism গ্ৰন্থখনৰ লেখক কোন ?

(Continued)

(i) Freedom of will is a postulate of morality.

(Write True or False)

ইচ্ছাৰ স্বাধীনতা নৈতিকতাৰ অৱশ্য স্বীকাৰ্য সত্য।

(সঁচা নে মিছা লিখা)

(j) *Gita* is a Karmayogashastra. Is it true?

'গীতা' এখন কৰ্মযোগশাস্ত্ৰ। এইটো শুদ্ধনে ?

2. Answer the following questions briefly : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Define ethics.

নীতিবিদ্যাৰ সংজ্ঞা দিয়া।

(b) What is intrinsic value?

স্বতঃমূল্য কি ?

(c) Write the names of two books of Kant.

কাণ্টৰ দুখন গ্ৰন্থৰ নাম লিখা।

(d) What are the two main divisions of value?

মূল্যৰ প্ৰধান ভাগ দুটা কি কি ?

(e) What are the four Ashramas?

চাৰি আশ্ৰম কি কি ?

(Turn Over)

3. Answer any *four* of the following questions in short : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ চমু উত্তৰ দিয়া :

(a) Why is ethics called normative science?

নীতিবিজ্ঞানক কিয় আদৰ্শনিষ্ঠ বিজ্ঞান বুলি কোৱা হয় ?

(b) Distinguish between fact and value.

তথ্য (fact) আৰু মূল্য (value)ৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(c) Write a note on hedonistic calculus.

সুখবাদী কলনৰ বিষয়ে এটি টোকা লিখা।

(d) What are the maxims of Categorical Imperative?

চৰ্তহীন আদেশৰ মূল সূত্ৰবোৰ কি কি ?

(e) Write a note on Svadharma.

স্বধৰ্মৰ বিষয়ে এটি টোকা লিখা।

(f) Explain *Gita*'s concept of 'Loksangraha'.

'গীতা'ৰ 'লোকসংগ্ৰহ'ৰ ধাৰণাটো ব্যাখ্যা কৰা।

4. What is ethics? Discuss the scope of ethics. 2+8=10

নীতিবিদ্যা কি ? নীতিবিদ্যাৰ পৰিসৰ আলোচনা কৰা।

(Continued)

Or / অথবা

Is ethics a practical science? Give reasons for your answer. 10

নীতিবিদ্যা ব্যবহাৰিক বিজ্ঞান হয়নে ? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়া।

5. What is hedonism? Explain the different kinds of hedonism. 2+8=10

সুখবাদ কি ? সুখবাদৰ বিভিন্ন প্ৰকাৰবোৰ ব্যাখ্যা কৰা।

Or / অথবা

Critically discuss ethical hedonism. 10

নৈতিক সুখবাদৰ সমালোচনাত্মক আলোচনা আগবঢ়োৱা।

6. What is utilitarianism? Explain Mill's utilitarianism. 2+8=10

উপযোগিতাবাদ কি ? মিলৰ উপযোগিতাবাদ ব্যাখ্যা কৰা।

Or / অথবা

Discuss Kant's theory of 'duty for duty's sake'. 10

কাণ্টৰ 'কৰ্তব্যৰ বাবে কৰ্তব্য' নীতি আলোচনা কৰা।

(Turn Over)

7. Write an essay on *Gita*'s Niskama Karma.

'গীতা'ৰ নিষ্কাম কর্মৰ বিষয়ে এখন ৰচনা লিখা।

Or / অথবা

Discuss Varnashrama Dharma.

বর্ণাশ্রম ধর্মৰ বিষয়ে আলোচনা কৰা।

★★★

2022

PHILOSOPHY

(General)

Paper : 6.2

(Philosophy of Religion)

(Non-CBCS)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) "Religion is a belief in spiritual beings." Who said this?

"ধৰ্ম হ'ল আধ্যাত্মিক সত্তাত বিশ্বাস।" কথাষাৰ কোনে কৈছিল ?

(b) "The literal meaning of religion is that which binds man together." Is it true?

"ব্যুৎপত্তিগতভাৱে ধৰ্মৰ অৰ্থ হৈছে যিয়ে মানুহক একেলগে বান্ধি বা ধৰি ৰাখে।" এইটো সত্যনে ?

(c) Who introduced the term 'Mana'?

'মানা' শব্দটো কোনে প্রবর্তন কবিছিল ?

(d) Write the name of a thinker who is associated with the moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক নৈতিক প্ৰমাণ বা যুক্তিৰ লগত জড়িত এগৰাকী চিন্তাবিদৰ নাম লিখা।

(e) Who is the author of the book, *The Idea of the Holy*?

The Idea of the Holy গ্ৰন্থখনৰ লিখক কোন ?

(f) State the theory of the origin of religion expounded by Herbert Spencer.

ধৰ্মৰ উৎপত্তি-বিষয়ক হাৰ্বাৰ্ট স্পেন্সাৰৰ মতবাদটোৰ নাম লিখা।

(g) Who used the term 'fetish' for the first time?

কোনে সৰ্বপ্ৰথম 'fetish' শব্দটো ব্যৱহাৰ কৰে ?

(h) What is the meaning of 'totem'?

'Totem' শব্দটোৰ অৰ্থ কি ?

(i) "Science without religion is lame, religion without science is blind." Who said this?

"ধৰ্ম বিহীন বিজ্ঞান খোৰা আৰু বিজ্ঞান বিহীন ধৰ্ম অন্ধ।" উক্তিটো কাৰ ?

(Continued)

(j) Reason is one of the foundations of religious belief. Is it true?

বিচাৰ-বুদ্ধি ধৰ্মীয় বিশ্বাসৰ এটি ভিত্তি। কথাষাৰ সঁচানে ?

2. Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Define religion.

ধৰ্মৰ সংজ্ঞা দিয়া।

(b) Name two critics of the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক উদ্দেশ্যমূলক যুক্তিৰ দুগৰাকী সমালোচকৰ নাম লিখা।

(c) What is 'taboo'?

'টাবু' কি ?

(d) State two loopholes of moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক নৈতিক যুক্তিৰ দুটা ত্ৰুটি উল্লেখ কৰা।

(e) Name two supporters of cosmological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক বিশ্বতত্ত্বমূলক যুক্তিৰ দুগৰাকী সমৰ্থকৰ নাম লিখা।

(Turn Over)

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Distinguish between religion and magic.

ধৰ্ম আৰু মেজিকৰ মাজৰ পাৰ্থক্য লিখা।

(b) Write a brief note on Manaism.

মানাবাদৰ সম্পৰ্কত এটি চমু টোকা লিখা।

(c) Discuss briefly the relation between religion and science.

ধৰ্ম আৰু বিজ্ঞানৰ মাজৰ সম্পৰ্ক চমুকৈ আলোচনা কৰা।

(d) What is the utility of religion?

ধৰ্মৰ উপযোগিতা কি ?

(e) Write a brief note on fetishism.

প্ৰতীক পূজাবাদৰ ওপৰত এটি চমু আলোচনা আগবঢ়োৱা।

(f) Discuss cosmological argument regarding the existence of God.

ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় বিশ্বতত্ত্বমূলক যুক্তিৰ সম্পৰ্কত আলোচনা কৰা।

4. Discuss the relation between philosophy and religion. 10

দৰ্শন আৰু ধৰ্মৰ মাজৰ সম্পৰ্ক আলোচনা কৰা। 10

(Continued)

Or / নাইবা

Elucidate the nature and scope of philosophy of religion.

ধৰ্মদৰ্শনৰ স্বৰূপ আৰু পৰিসৰ বৰ্ণনা কৰা।

5. Explain the foundations of religious belief. 10

ধৰ্মীয় বিশ্বাসৰ ভিত্তিবোৰ ব্যাখ্যা কৰা।

Or / নাইবা

Critically explain Freud's theory of the origin of religion.

সমালোচনাৰে সৈতে ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি-সম্পৰ্কীয় মতবাদটো ব্যাখ্যা কৰা। 10

6. Elaborate the concept of animism.

সৰ্বপ্ৰাণবাদৰ সম্পৰ্কে এটি বিতং আলোচনা আগবঢ়োৱা।

Or / নাইবা

Critically explain totemism as a theory of the origin of religion.

ধৰ্মৰ উৎপত্তি-সম্পৰ্কীয় মতবাদৰূপে টোটেমবাদ সমালোচনাৰে সৈতে ব্যাখ্যা কৰা।

(Turn Over)

7. Give an account of teleological argument for the existence of God. 10

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক উদ্দেশ্যমূলক যুক্তিটো ব্যাখ্যা কৰা।

Or / নাইবা

Critically explain ontological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক তাত্ত্বিক যুক্তিটো সমালোচনাৰে সৈতে ব্যাখ্যা কৰা।

★★★

2022

PHILOSOPHY

Paper : PHI–HC–4016

(Contemporary Indian Philosophy)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer any *ten* of the following as directed : 1×10=10

নির্দেশানুযায়ী তলৰ যি কোনো **দহটাৰ** উত্তৰ লিখা :

(a) According to Sri Aurobindo, what is the final stage of evolution?

শ্রী অৰবিন্দৰ মতে বিবর্তনৰ অন্তিম স্তৰটো কি ?

(b) State one point of difference between Mind and Supermind.

'Mind' আৰু 'Supermind'ৰ মাজত এটা পার্থক্য উল্লেখ কৰা।

(c) In which book, Sri Aurobindo discussed the 'Theory of Evolution'?

শ্রী অৰবিন্দই তেওঁৰ কোনখন গ্ৰন্থত 'বিৱৰ্তন তত্ত্ব'ৰ বিষয়ে আলোচনা কৰিছিল ?

(d) Intuitive knowledge is a direct/indirect knowledge.

(Choose the correct answer)

স্বজ্ঞালব্ধজ্ঞান প্ৰত্যক্ষ / পৰোক্ষ জ্ঞান।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(e) "Man is a finite-infinite being." Name the philosopher associated with this statement.

''মানুহ হ'ল এক সসীম-অসীম সত্তা''—এই উক্তিটোৰ সৈতে জড়িত দাৰ্শনিকজনৰ নাম লিখা।

(f) What is the literal meaning of the term 'Sarvodaya'?

'সৰ্বোদয়' শব্দটোৰ আক্ষৰিক অৰ্থ কি ?

(g) Mention name of one book written by Mahatma Gandhi.

মহাত্মা গান্ধীয়ে লিখা এখন কিতাপৰ নাম উল্লেখ কৰা।

(h) Vivekananda gives importance on the path of knowledge/path of action.

(Choose the correct answer)

বিবেকানন্দই জ্ঞান মাৰ্গ / কৰ্ম মাৰ্গৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(i) Mention one fundamental feature of Universal religion as advocated by Vivekananda.

বিবেকানন্দই ব্যাখ্যা কৰা ধৰণে বিশ্বজনীন ধৰ্মৰ এটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰা।

(j) Sri Aurobindo's Philosophy is also known as ____ Yoga.

(Fill in the blank)

শ্রী অৰবিন্দৰ দৰ্শনক ____ যোগ বুলিও জনা যায়।

(খালী ঠাই পূৰণ কৰা)

(k) Is non-cooperation a mean of activity included in Satyagraha?

অসহযোগ সত্যাগ্ৰহৰ অন্তৰ্গত এটা কাৰ্যপন্থা হয়নে ?

(l) What is the negative meaning of non-violence?

অহিংসাৰ নেতিবাচক অৰ্থ কি ?

(m) Intuitive knowledge is empirical/rational.

(Choose the correct answer)

অন্তৰ্জ্ঞান বা স্বজ্ঞা অভিজ্ঞতালব্ধ / বৌদ্ধিক।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(n) Who is the author of the book, *The Life Divine*?

The Life Divine গ্ৰন্থখনৰ ৰচক কোন ?

(o) What is the essence of Vivekananda's Philosophy of education?

বিবেকানন্দৰ শিক্ষা দৰ্শনৰ মূলতত্ত্ব কি ?

2. Answer the following in brief (any *five*) : 2×5=10

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া (যি কোনো পাঁচটাৰ) :

(a) State the three terms along with their meanings found in the conception of 'Saccidananda'.

'সচ্চিদানন্দ'ৰ ধাৰণাটোত নিহিত থকা শব্দ তিনিটা অৰ্থসহ উল্লেখ কৰা।

(b) State any two points of limitation of intellect according to Radhakrishnan.

ৰাধাকৃষ্ণনৰ মতে বুদ্ধিৰ যি কোনো দুটা সীমাবদ্ধতা উল্লেখ কৰা।

(c) What is the meaning of 'Sarvamukti' according to Radhakrishnan?

ৰাধাকৃষ্ণনৰ মতে, 'সৰ্বমুক্তি'ৰ অৰ্থ কি ?

(d) What is the meaning of 'Swadeshi' in Gandhian Philosophy?

গান্ধীৰ দৰ্শনত 'স্বদেশী'ৰ অৰ্থ কি ?

(e) Mention two points of differences between Advaita Vedanta and Practical Vedanta.

অদ্বৈত বেদান্ত আৰু ব্যৱহাৰিক বেদান্তৰ মাজত দুটা পাৰ্থক্য উল্লেখ কৰা।

(f) Why is Swami Vivekananda's Philosophy called Practical Vedanta?

স্বামী বিবেকানন্দৰ দৰ্শনক কিয় ব্যৱহাৰিক বেদান্ত বুলি কোৱা হয় ?

(g) Mention two criticisms made by Mahatma Gandhi against industrialization.

উদ্যোগীকৰণৰ বিৰুদ্ধে মহাত্মা গান্ধীয়ে উত্থাপন কৰা দুটা সমালোচনা উল্লেখ কৰা।

(h) What is 'Yoga' according to Sri Aurobindo?

শ্ৰী অৰবিন্দৰ মতে, 'যোগ' কি ?

3. Answer any *four* of the following : 5×4=20

তলৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a short note on Gandhi's concept of Trusteeship.

গান্ধীৰ 'ন্যাসবাদ' ধাৰণাটোৰ বিষয়ে এটি চমু টোকা লিখা।

(b) Explain the concept of Supermind.

অতিমানসৰ (Supermind) ধাৰণাটো ব্যাখ্যা কৰা।

(c) Briefly explain the significance of Gandhi's statement—'Truth is God'.

'সত্যই ঈশ্বৰ'—গান্ধীৰ এই উক্তিটোৰ তাৎপৰ্য চমুকৈ ব্যাখ্যা কৰা।

(d) What was Gandhi's views on Religion? Discuss briefly.

গান্ধীৰ ধৰ্মসম্পৰ্কীয় মতাদৰ্শ কেনে আছিল ? চমুকৈ আলোচনা কৰা।

(c) What are the essential qualities of Satyagrahi according to Gandhi?

গান্ধীৰ মতে, সত্যাগ্ৰহীৰ প্ৰয়োজনীয় গুণ কি কি ?

(f) Briefly discuss any two types of Satyagraha.

সত্যাগ্ৰহৰ যি কোনো দুটা প্ৰকাৰ চমুকৈ আলোচনা কৰা।

(g) Write a short note on Sri Aurobindo's concept of 'Triple Transformation'.

অৰবিন্দৰ 'তিনিতৰপীয়া ৰূপান্তৰ' সম্পৰ্কে এটি চমু টোকা লিখা।

(h) What are the characteristics of intellect? Discuss after Radhakrishnan.

বুদ্ধিৰ বৈশিষ্ট্যবোৰ কি কি ? ৰাধাকৃষ্ণনক অনুসৰণ কৰি আলোচনা কৰা।

4. Answer the following questions (any *four*) : 10×4=40

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Discuss Sri Aurobindo's concept of Integral Yoga. 10

শ্ৰী অৰবিন্দৰ সৰ্বাঙ্গীণ যোগৰ ধাৰণা সম্পৰ্কে আলোচনা কৰা।

(b) Write briefly about divine life as described by Sri Aurobindo. 10

শ্ৰী অৰবিন্দই বৰ্ণনা কৰা মতে দিব্যজীৱন সম্পৰ্কে চমুকৈ লিখা।

(c) What are the three ways of knowing according to Radhakrishnan? How does Radhakrishnan explain the relation between intellect and intuition? Discuss. 2+8=10

ৰাধাকৃষ্ণনৰ মতে জ্ঞান আহৰণৰ উপায় তিনিটা কি কি ? ৰাধাকৃষ্ণনে কিদৰে বুদ্ধি আৰু স্বজ্ঞা বা অন্তৰ প্ৰজ্ঞাৰ সম্পৰ্ক ব্যাখ্যা কৰিছে ? আলোচনা কৰা।

(d) Explain Radhakrishnan's view of man and his destiny. 10

মানৱ আৰু মানৱৰ চৰম লক্ষ্য সম্পৰ্কে ৰাধাকৃষ্ণনে আগবঢ়োৱা মতটো ব্যাখ্যা কৰা।

(e) Explain Gandhi's statement "Non-violence is the law of Species". 10

"অহিংসা সকলো জীৱৰ ধৰ্ম" গান্ধীৰ এই কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(f) Explain Gandhi's concept of non-violence. Is it relevant to the present day society? Discuss. 10

গান্ধীৰ অহিংসাৰ ধাৰণাটো ব্যাখ্যা কৰা। বৰ্তমান সমাজত ই প্ৰাসংগিকনে ? আলোচনা কৰা।

(g) Write an essay on universal religion as described in the Philosophy of Vivekananda. 10

বিবেকানন্দৰ দৰ্শনত বৰ্ণনা কৰা ধৰণে সাৰ্বজনীন ধৰ্ম সম্পৰ্কে এখন ৰচনা লিখা।

(h) Can Vivekananda be called a Neo-Vedantic philosopher? Give reason for your answer. 10

বিবেকানন্দক এজন নব্য-বেদান্তিক দাৰ্শনিক বুলি ক'ব পাৰিনে? তোমাৰ যুক্তি আগবঢ়োৱা।

(i) What is religious experience according to Radhakrishnan? Explain the characteristics of religious experience. 10

ৰাধাকৃষ্ণনৰ মতে ধৰ্মীয় অভিজ্ঞতা কি? ধৰ্মীয় অভিজ্ঞতাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(j) Critically explain Sri Aurobindo's theory of evolution. 10

শ্ৰী অৰবিন্দৰ বিৱৰ্তনবাদৰ বিষয়ে বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা।

★★★